Total number of pages—12

24T-LOPH

# 2014

# LOGIC & PHILOSOPHY

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

*Contd.*

1. Give very short answer : 1×12=12

অতি চমু উত্তৰ দিয়া ঃ

(a) "In an inductive inference the conclusion follows necessarily from the premises." Is it false ?

"আগমনত আশ্ৰয়বাক্যৰ পৰা অনিবাৰ্যভাৱে সিদ্ধান্ত নিঃসৃত হয়।" এইটো অসত্য নেকি?

(b) Find out the correct answer :

শুদ্ধ উত্তৰ বাচি উলিওৱা ঃ

In analogy, we pass from particular to general / particular to particular / general to particular / general to general.

সাদৃশ্যমূলক অনুমানত আমি বিশেষৰ পৰা সামান্যলৈ / বিশেষৰ পৰা বিশেষলৈ / সামান্যৰ পৰা বিশেষলৈ / সামান্যৰ পৰা সামান্যলৈ গতি কৰো।

(c) In which of the following kinds of induction, there is no inductive leap ?

নিম্নোক্ত আগমনৰ প্ৰকাৰসমূহৰ কোনটোত আগমনাত্মক জঁপ নাথাকে?

(i) Scientific induction

বৈজ্ঞানিক আগমন

(ii) Analogy

সাদৃশ্যমূলক অনুমান

(iii) Perfect induction

পূৰ্ণ আগমন

(iv) Unscientific induction

অবৈজ্ঞানিক আগমন



(d) "The ground of induction is itself a result of induction." — who did say this statement ?

"আগমনৰ ভিত্তিয়েই আগমনৰ ফল।" — এই উক্তিটো কোনে কৈছিল?

(e) Which of the following is not a condition of correct observation ?

নিম্নোক্ত কোনটো শুদ্ধ নিৰীক্ষণৰ এটা চৰ্ত নহয়?

(i) The observer must be intellectually sound.

নিৰীক্ষকগৰাকী বৌদ্ধিকভাৱে সুস্থ হ'ব লাগিব।

(ii) The observer must be impartial.

নিৰীক্ষকগৰাকী পক্ষপাতিত্বহীন হ'ব লাগিব।

(iii) The observer must use artificial instruments.

নিৰীক্ষকগৰাকীয়ে কৃত্ৰিম সজুঁলি ব্যৱহাৰ কৰিব লাগিব।

(iv) The observer must have sound mind and body.

নিৰীক্ষকগৰাকীৰ সুস্থ মন আৰু শৰীৰ থাকিব লাগিব।

(f) State *any one* condition of a legitimate hypothesis.

বৈধ প্ৰকল্পৰ *যিকোনো এটা* চৰ্ত উল্লেখ কৰা।

(g) Fill up the blank :

খালী ঠাই পূৰণ কৰা ঃ

Hypothesis is a ________ supposition.

প্ৰকল্প হৈছে এক ________ আনুমানিক ধাৰণা।

(h) Name the experimental method which is based on the following canon of elimination :

"whatever antecedent can be left out, without prejudice to the effect, can be no part of the cause."

নিম্নোক্ত অপসৰণৰ সূত্ৰটোৰ ওপৰত প্ৰতিষ্ঠিত পৰীক্ষণমূলক প্ৰণালীটোৰ নাম লিখা ঃ
"কাৰ্যৰ কোনো ক্ষতি নোহোৱাকৈ পূৰ্ববৰ্তী ঘটনাৰ যি অংশ বৰ্জন কৰিব পাৰি, সেই অংশ কেতিয়া ও কাৰ্যৰ কাৰণ বা কাৰণৰ কোনো অংগ হ'ব নোৱাৰে।"

*(i)* Give *an* example of primary quality.

মৌলিক বা মুখ্য গুণৰ *এটা* উদাহৰণ দিয়া।

*(j)* Who is the author of "An Essay Concerning Human Understanding"?

"An Essay Concerning Human Understanding" ৰ লেখক কোন?

*(k)* Which of the following is an object of moral judgement?

নিম্নোক্ত কোনটো নৈতিক বিচাৰৰ বিষয়বস্তু?

*(i)* Random action
স্বয়ংক্ৰিয়া

*(ii)* Habitual action
অভ্যাসজনিত ক্ৰিয়া

*(iii)* Instinctive action
সহজাত ক্ৰিয়া

*(iv)* Actions of children
শিশুৰ ক্ৰিয়া

*(l)* What is the meaning of the word 'Mores'?

'Mores' শব্দটোৰ অৰ্থ কি?

2. Define scientific induction with suitable example. 1+1=2

উপযুক্ত উদাহৰণসহ বৈজ্ঞানিক আগমনৰ সংজ্ঞা দিয়া।



3. State *two* points of difference between scientific induction and unscientific induction. 2

বৈজ্ঞানিক আগমন আৰু অবৈজ্ঞানিক আগমনৰ মাজত থকা *দুটা* পাৰ্থক্য উল্লেখ কৰা।

4. Define good analogy with suitable example. 1+1=2

উপযুক্ত উদাহৰণসহ সু-সাদৃশ্যমূলক অনুমানৰ সংজ্ঞা দিয়া।

5. What do you mean by paradox of induction? 2

আগমনৰ বিৰোধাভাস বুলিলে কি বুজা?

6. How many forms of uniformity of nature are there and what are they? 2

প্ৰকৃতিৰ একৰূপতা বিধিটোৰ কেই প্ৰকাৰৰ ভিন্ন ৰূপ আছে আৰু সেই বোৰ কি কি?

***Or / নাইবা***

Distinguish between agent and patient with the help of suitable example. 2

উপযুক্ত উদাহৰণৰ সহায়ত সক্ৰিয় আৰু নিষ্ক্ৰিয় উপকৰণৰ মাজত পাৰ্থক্য নিৰূপণ কৰা।

7. Briefly explain conjunction of causes with the help of suitable example. 2

উপযুক্ত উদাহৰণৰ সহায়ত কাৰণ সমন্বয় বা কাৰণ সংযোজনৰ চমু ব্যাখ্যা আগবঢ়োৱা।

*Or / নাইবা*

Distinguish between plurality of causes and conjunction of causes. 2

নানা কাৰণবাদ আৰু কাৰণ সমন্বয় বা কাৰণ সংযোজনৰ মাজত পাৰ্থক্য নিৰূপণ কৰা।

8. Mention *any two* qualitative marks of causation. 2

কাৰণৰ *যিকোনো দুটা* গুণগত লক্ষণ উল্লেখ কৰা।

9. State *any two* advantages of observation over experiment. 2

পৰীক্ষণৰ তুলনাত নিৰীক্ষণৰ *যিকোনো দুটা* সুবিধা উল্লেখ কৰা।

10. Give such a concrete example of the method of agreement where we proceed from cause to effect. 2

অন্বয়ী প্ৰণালীৰ এনে এটা বাস্তৱ উদাহৰণ দিয়া য'ত আমি কাৰণৰ পৰা কাৰ্যলৈ অগ্ৰসৰ হওঁ।

11. Why are the inductive methods called 'methods of elimination'? 2

আগমনাত্মক পদ্ধতিসমূহক কিয় 'অপসৰণ পদ্ধতি' বোলা হয়?

12. Explain the etymological meaning of ***any one*** of the following words : 2

নিম্নোক্ত *যিকোনো এটা* শব্দৰ ব্যুৎপত্তিগত অৰ্থ ব্যাখ্যা কৰা ঃ

*(a)* Religion

*(b)* Dharma

ধৰ্ম



13. Who did define religion as the "recognition of all our duties as divine commandments"? Mention *one* defect of this definition. 1+1=2

"আমাৰ সকলো কৰ্তব্যক ঐশ্বৰিক আদেশ ৰূপে স্বীকাৰ কৰি লোৱাই হ'ল ধৰ্ম।" — ধৰ্মৰ এই সংজ্ঞাটো কোনে প্ৰদান কৰিছিল? এই সংজ্ঞাটোৰ *এটা* ত্ৰুটি উল্লেখ কৰা।

*Or / নাইবা*

Who did define religion as "an emotion resting on a conviction of harmony between ourselves and the universe at large"? Mention *one* defect of this definition. 1+1=2

"ধৰ্ম হ'ল একপ্ৰকাৰ আবেগ, যিটোৱে বিশ্বাস কৰে যে মানুহ আৰু জগতৰ মাজত এটা সামঞ্জস্য আছে।" — ধৰ্মৰ এই সংজ্ঞাটো কোনে প্ৰদান কৰিছিল? এই সংজ্ঞাটোৰ *এটা* ত্ৰুটি উল্লেখ কৰা।

14. Explain with example the quantitative mark of cause from the standpoint of the principle of conservation of energy. 4

শক্তিৰ সংৰক্ষণশীলতা বা অবিনশ্বৰতাৰ সূত্ৰৰ দৃষ্টিভংগীৰে উপযুক্ত উদাহৰণসহ কাৰণৰ পৰিমাণগত লক্ষণ ব্যাখ্যা কৰা।

15. State *four* uses of hypothesis. 4

প্ৰকল্পৰ *চাৰিটা* প্ৰয়োজনীয়তা উল্লেখ কৰা।

*Or / নাইবা*

Briefly explain the *four* stages of a hypothesis. 4

প্ৰকল্পৰ স্তৰ *চাৰিটা* চমুকৈ ব্যাখ্যা কৰা।

16. What is a crucial instance ? Briefly explain a crucial instance obtained by simple observation with the help of a suitable example. 2+2=4

চৰম দৃষ্টান্ত বা নিৰ্ণায়ক দৃষ্টান্ত মানে কি? উপযুক্ত উদাহৰণৰ সহায়ত নিৰীক্ষণলব্ধ চৰম দৃষ্টান্তৰ বিষয়ে চমু ব্যাখ্যা কৰা।

17. State *two* advantages and *two* disadvantages of the joint method of agreement and difference. 2+2=4

মিশ্ৰ অন্বয়ী-ব্যতিৰেকী প্ৰণালীৰ *দুটা* সুবিধা আৰু *দুটা* অসুবিধা উল্লেখ কৰা।

***Or / নাইবা***

State *two* advantages and *two* disadvantages of the method of concomitant variation. 2+2=4

সহ-পৰিৱৰ্তন প্ৰণালীৰ *দুটা* সুবিধা আৰু *দুটা* অসুবিধা উল্লেখ কৰা।

18. What do you mean by realism ? State *any two* differences between naive realism and scientific realism. 2+2=4

বাস্তৱবাদ বুলিলে কি বুজা? সৰল বাস্তৱবাদ আৰু বৈজ্ঞানিক বাস্তৱবাদৰ মাজত থকা *যিকোনো দুটা* পাৰ্থক্য উল্লেখ কৰা।

19. Briefly express *four* points of criticism against naive realism. 4

সৰল বাস্তৱবাদৰ বিৰুদ্ধে *চাৰিটা* সমালোচনা চমুকৈ প্ৰকাশ কৰা।



***Or / নাইবা***

Briefly express *four* points of criticism against scientific realism. 4

বৈজ্ঞানিক বাস্তৱবাদৰ বিৰুদ্ধে *চাৰিটা* সমালোচনা চমুকৈ প্ৰকাশ কৰা।

20. What do you mean by idealism ? State *two* points of difference between realism and idealism. 2+2=4

ভাববাদ বুলিলে কি বুজা? বাস্তৱবাদ আৰু ভাববাদৰ মাজত থকা *দুটা* পাৰ্থক্য উল্লেখ কৰা।

21. What do you mean by a normative science ? Why ethics is called a normative science ? 2+2=4

আদৰ্শনিষ্ঠ বিজ্ঞান বুলিলে কি বুজা? নীতিবিদ্যাক কিয় এক আদৰ্শনিষ্ঠ বিজ্ঞান বুলি কোৱা হয়?

22. Does the end justify the means ? Give a reasoned analysis with the help of a concrete example. 4

সাধ্যৰদ্বাৰা তাৰ সাধনৰ সমৰ্থন কৰিব পাৰিনে? উপযুক্ত বাস্তৱ উদাহৰণৰ সহায়ত এটা যুক্তিপূৰ্ণ বিশ্লেষণ আগবঢ়োৱা।

***Or / নাইবা***

What is motive ? Distinguish between motive and intention. 1+3=4

উদ্দেশ্য মানে কি? উদ্দেশ্য আৰু অভিপ্ৰায়ৰ মাজত পাৰ্থক্য নিৰূপণ কৰা।

23. Mention *four* points of similarity between religion and morality. 4

ধৰ্ম আৰু নৈতিকতাৰ মাজত থকা *চাৰিটা* সাদৃশ্য উল্লেখ কৰা।

24. State *three* similarities and *three* dissimilarities between analogy and unscientific induction. 3+3=6

সাদৃশ্যমূলক অনুমান আৰু অবৈজ্ঞানিক অনুমানৰ মাজত থকা *তিনিটা* সাদৃশ্য আৰু *তিনিটা* বৈসাদৃশ্য উল্লেখ কৰা।

25. Briefly explain, with example, each of the *three* kinds of hypothesis according to L. S. Stebbing. 2+2+2=6

L. S. Stebbing ৰ মতানুসৰি প্ৰকল্পৰ প্ৰকাৰ *তিনিটাৰ* প্ৰত্যেকৰে উদাহৰণসহ চমু ব্যাখ্যা আগবঢ়োৱা।

26. "The method of agreement is a method of discovery and the method of difference is a method of proof." — Explain the significance of this remark. 6

"অন্বয়ী প্ৰণালী হৈছে আবিস্কাৰৰ প্ৰণালী আৰু ব্যতিৰেকে প্ৰণালী হৈছে প্ৰমাণৰ প্ৰণালী।" — এই মন্তব্যটোৰ তাৎপৰ্য ব্যাখ্যা কৰা।

***Or / নাইবা***

Define the method of difference in your own words and give a concrete example of it. Point out, with the help of an example, how a careless use of this method leads to the fallacy of post hoc ergo propter hoc. 2+2+2=6

তোমাৰ নিজৰ ভাষাত ব্যতিৰেকী প্ৰণালীৰ সংজ্ঞা দিয়া আৰু ইয়াৰ এটা বাস্তৱ উদাহৰণ উল্লেখ কৰা। অসাৱধানভাৱে এই প্ৰণালী প্ৰয়োগ কৰিলে কেনেদৰেনোই কাকতালীয় দোষেৰে দুষিত হয় তাক এটা উদাহৰণৰ সহায়ত দেখুওৱা।

27. What is Berkeley's subjective idealism ? Briefly express *four* points of criticism against this idealism. 2+4=6

বাৰ্কলিৰ আত্মনিষ্ঠ ভাৱবাদ কি? এই ভাৱবাদৰ বিৰুদ্ধে উত্থাপিত *চাৰিটা* সমালোচনা চমুকৈ প্ৰকাশ কৰা।



***Or / নাইবা***

What is objective idealism ? Briefly express *four* characteristics of this kind of idealism. 2+4=6

বস্তুনিষ্ঠ ভাৱবাদ কি? এই প্ৰকাৰ ভাৱবাদৰ *চাৰিটা* বৈশিষ্ট্য চমুকৈ প্ৰকাশ কৰা।

——×——